জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৭/২০২১

**<u>সুদীৰ্ঘ ১২৫ বছৰীয়া প্ৰতীক্ষাৰ অন্ত পেলাই অলিম্পিকত পদক অৰ্জনেৰে ৰাজ্যবাসীক গৌৰৱান্বিত কৰা লাভলীনা বৰগোহাঁইক ৰাজ্য চৰকাৰৰ সম্বৰ্দ্ধনা জ্ঞাপন</u>**

# নতুন প্ৰজন্মৰ বাবে লাভলীনা বৰগোহাঁই সদায়ে প্ৰেৰণাৰ প্ৰতীক হৈ থাকিব ঃ মুখ্যমন্ত্ৰী

**লাভলীনাক ৰাজ্য চৰকাৰে প্ৰদান কৰিলে ১ কোটি টকাৰ চেক, অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত যোগদানৰ বাবে মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণ**

**জন্মস্থান সৰুপথাৰত বক্সিং একাডেমীসহ ক্ৰীড়া প্ৰকল্প স্থাপন, গুৱাহাটী মহানগৰীত লাভলীনাৰ নামেৰে এটা পথৰ নামকৰণ, পৰৱৰ্তী অলিম্পিক পৰ্যন্ত প্ৰতিমাহে ১ লাখ টকাকৈ জলপানি প্ৰদানৰ ঘোষণা মুখ্যমন্ত্ৰীৰ**

**<u>খেলুৱৈগৰাকীৰ পাঁচগৰাকী প্ৰশিক্ষকলৈও ১০ লাখ টকাকৈ আগবঢ়াব ৰাজ্য চৰকাৰে</u>**

**দিছপুৰ, ১২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত ট'কিঅ' অলিম্পিক ক্ৰীড়াত ব্ৰঞ্জৰ পদক অৰ্জনেৰে ৰাজ্য তথা দেশবাসীলৈ গৌৰৱ কঢ়িয়াই অনা অসম কন্যা লাভলীনা বৰগোহাঁইক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই সম্বৰ্দ্ধনাত এখন প্ৰশস্তি পত্ৰ, চেলেং চাদৰ, মুগা শ্বাল, শৰাই, জাপি আৰু ১ কোটি টকাৰ এখন চেক বক্সাৰগৰাকীলৈ আগবঢ়ায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম কন্যা লাভলীনা বৰগোহাঁইয়ে বিৰল গৌৰৱেৰে সমগ্ৰ অসমবাসীকে গৌৰৱান্বিত কৰিছে। অসমৰ ইতিহাসৰ পাতত প্ৰথম অলিম্পিক পদক বিজয়ী হিচাপে লাভলীনা বৰগোহাঁইৰ নাম স্বৰ্ণিল আখৰেৰে লিখা থাকিব। লাভলীনাক অসমবাসীয়ে যিমানেই নিদিয়ক কিয় সেয়া সদায়ে কম হৈ ৰ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অলিম্পিক পদক অৰ্জনকাৰী লাভলীনা বৰগোহাঁইক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদত যোগদানৰ বাবে আজিৰ এই সম্বৰ্দ্ধনা অনুষ্ঠানতে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। তদুপৰি, আগন্তুক পেৰিছ অলিম্পিকৰ বাবে বক্সাৰগৰাকীয়ে যাতে ভালদৰে প্ৰশিক্ষণ ল'ব পাৰে সেই দিশত সহায়ক হোৱাকৈ প্ৰতিমাহত ১ লাখ টকাকৈ ৰাজ্য চৰকাৰে

তেখেতলৈ জলপানি প্ৰদান কৰি থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। লাভলীনাৰ জন্মস্থান সৰুপথাৰত ৰাজ্য চৰকাৰে ২৫ কোটি টকা ব্যয়ৰে এটা ক্ৰীড়া প্ৰকল্প স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আজিৰ এই অনুষ্ঠানতে ঘোষণা কৰে। এই ক্ৰীড়া প্ৰকল্পত বক্সিং একাডেমীকে ধৰি অন্যান্য আধুনিক সা-সুবিধা উপলব্ধ থাকিব বুলিও তেওঁ কয়। এই ক্ৰীড়া প্ৰকল্পৰ স্থান সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে অসম গৌৰৱ লাভলীনা বৰগোহাঁইৰ পিতৃ টিকেন বৰগোহাঁইক নিৰ্দ্ধাৰণ কৰাৰ বাবে তেওঁ আহ্বান জনায়। তদুপৰি, গুৱাহাটী মহানগৰীৰ এটা পথৰ নামকৰণ লাভলীনা বৰগোহাঁইৰ নামত ৰাজ্য চৰকাৰে কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। লাভলীনা বৰগোহাঁইক বিভিন্ন সময়ত প্ৰশিক্ষণ প্ৰদান কৰা পাঁচগৰাকী প্ৰশিক্ষকক ৰাজ্য চৰকাৰে ১০ লাখ টকাকৈ প্ৰদান কৰি সন্মানিত কৰাৰ ব্যৱস্থা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লক্ষ্য আৰু আত্মবিশ্বাস থাকিলে হিমালয় সদৃশ বাধাকো নেওচি কেনেদৰে সফলতা অৰ্জন কৰিব পাৰি সেই কথা অসম কন্যা লাভলীনাই তেওঁ কৰ্মৰ জৰিয়তে প্ৰমাণ কৰিলে বুলিও কোৱাৰ লগতে নৱ প্ৰজন্মক লাভলীনা বৰগোহাঁইয়ে প্ৰদৰ্শন কৰা পথেৰে অগ্ৰসৰ হৈ ভৱিষ্যতে অসমৰ নাম বিশ্ব দৰবাৰত উজলোৱাৰ কামত নিষ্ঠাৰে ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে লাভলীনাই যি দিলে, তাকে লৈয়ে আজি প্ৰতিগৰাকী অসমবাসী গৌৰৱান্বিত। ১২৫ টা বছৰৰ প্ৰতীক্ষাৰ ওৰ পেলাই লাভলীনাই আজি অসমবাসীক বিৰল গৌৰৱৰ অধিকাৰী কৰিলে। নতুন প্ৰজন্মৰ বাবে লাভলীনা সদায়েই প্ৰেৰণাৰ প্ৰতীক হৈ থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তেওঁৰ সাফল্যই আকাশ চুৱাৰো কামনা কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লাভলীনাৰ গৰ্বিত পিতৃ-মাতৃক শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে অসমৰ ক্ৰীড়া জগতৰ উজ্জ্বল জ্যোতিষ্ক ক্ৰমে ভোগেশ্বৰ বৰুৱা, টালিমেৰাণ আও, দীপাংকৰ ভট্টাচাৰ্য, শিৱ থাপা, হিমা দাস আদি ক্ৰীড়াবিদসকলে অসমৰ ক্ৰীড়াৰ উত্তৰণৰ দিশত আগবঢ়োৱা বৰঙনিৰো শলাগ লয়।

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত সচিব মলয় বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই সম্বৰ্দ্ধনা অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিমল বৰা, অলিম্পিক পদক বিজয়ী তথা আজিৰ অনুষ্ঠানৰ মধ্যমণি লাভলীনা বৰগোহাঁইয়েও নিজৰ মনৰ ভাব ব্যক্ত কৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক পৱিত্ৰ ৰাম খাউণ্ডে।

অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অৰ্জুন ভোগেশ্বৰ বৰুৱা, লাভলীনা বৰগোহাঁইৰ পিতৃ টিকেন বৰগোহাঁই, বক্সিং ফেডাৰেশ্যন অৱ ইণ্ডিয়াৰ সাধাৰণ সম্পাদক হেমন্ত কলিতা, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা বহুসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে লাভলীনা বৰগোহাঁইক অসম বক্সিং সন্থা, অসম অলিম্পিক সন্থা, অসম ক্ৰিকেট সন্থাইও আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত লাভলীনা বৰগোহাঁইৰ প্ৰত্যাহ্বানপূৰ্ণ জীৱন তথা সফলতাৰ আলোকপাতেৰে প্ৰস্তুত কৰা এখন চুটি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়।

**বঃভাঃ / প্ৰঃকুঃবঃ**

**১২/০৮/২০২১**